


Assamese

# অপুকুত্তনক কেনেকৈ ওজন কৰিব?


ইন্দু হৰিকুমাৰ

eklavya



# অপুকুত্তনক কেনেকৈ ওজন কৰিব?

গল্প আৰু ছবি: ইন্দু হৰিকুমাৰ



eklavya

অপুকুত্তনক কেনেকৈ ওজন কৰিব?

APPUKUTTAN KO TOLEIN KAISE?

এটা চীনা লোককথাৰ আধাৰত

গল্প আৰু ছবি: ইন্দু হৰিকুমাৰ

অসমীয়া অনুবাদ: দিপাশ্ৰী বৰুৱা, জুমা মণি শইকীয়া
সম্পাদকীয় পৰামৰ্শদাতা: আয়াং ট্ৰাষ্ট এণ্ড দ্য হামিংবাৰ্ড স্কুল পৰিয়াল
সম্পাদকীয় সহযোগীতা: শিৱ নাৰায়ণ গৌৰ, ইন্দু নায়ৰ
প্ৰডাকচন সহযোগিতা: ইন্দু নাইৰ, মহম্মদ খিজৰ, কমলেশ যাদৱ

গল্প আৰু ছবি: ইন্দু হৰিকুমাৰ, মাৰ্চ ২০২০

এই কিতাপখন ক্ৰিয়েটিভ কমন্স লাইসেন্সেৰ অ্যাট্ৰিবিউশন-নন-কমাৰ্শিয়াল-নো ডেৰিভেটিভস 4.0 ইন্টাৰন্যাশনাল (CC BY-NC-ND) ৰ অধীনত পৰে। ইয়াৰ সম্পূৰ্ণ বিবৰণ তলৰ লিঙ্কত পাব -https://creativecommons.org/licenses/by-nc-nd/4.0/ লেখক, চিত্ৰশিল্পী আৰু প্ৰকাশকৰ তথ্যসহ অ-বাণিজ্যিক উদ্দেশ্যে কোনো পৰিবৰ্তন নকৰাকৈ কিতাপখনৰ বিতৰণ কৰা হ'ব। অন্য কোনো অনুমতিৰ বাবে, প্ৰকাশকৰ মাধ্যমত লেখকৰ সৈতে অৱশ্যই যোগাযোগ কৰিব।

পৰাগ ইনিচিয়েটিভ, টাটা ট্ৰাষ্টৰ বিত্তীয় সহযোগত বিকশিত

সংস্কৰণ: জুন ২০২৪ (১০০০ কপি)
কাগজ: ১৭০ জিএছএম মেট আৰ্ট কাৰ্ড কাগজ আৰু ৩৫০ জিএছএম কাগজৰ বৰ্ড (কভাৰ)
ISBN: 978-81-19771-73-8
মূল্য: ₹ 200.00

প্ৰকাশক: **একলব্য ফাউণ্ডেচন**
জামনালাল বাজাজ কমপ্লেক্স, জাটখেড়ি,
ভূপাল – ৪৬২ ০২৬ (মধ্য প্ৰদেশ)
ফোন ৯১ ৭৫৫ ২৯৭ ৭৭৭০-৭১-৭২
ৱেবছাইট www.eklavya.in

মুদ্ৰক: ভাণ্ডাৰী প্ৰেছ, ভূপাল (মধ্য প্ৰদেশ)



এয়া এক বিশেষ ৰাজ্যৰ কাহিনী।
এক সুখী আৰু সমৃদ্ধিশালী ৰাজ্যৰ।
বিস্ময়কৰ জগতৰ...



যেতিয়াই যি প্ৰশ্ন আহে মানুহে উত্তৰ বিচাৰিবলৈ আৰম্ভ কৰে। কোনো প্ৰশ্নই বাদ পৰি নাযায়।

কিন্তু এদিন এনে এটা প্ৰশ্নই সকলোকে বিমোৰত পেলালে আৰু গোটেই ৰাজ্যত হুলস্থুল লাগিল।

মানুহবোৰ ৰৈ গ'ল। ভাবি ভাবি মুৰৰ চুলি দাল দাল হৈ গ'ল। বহুতে মূৰে কপালে হাত দি ভাবিলে;
"এতিয়া এইটো কেনেকৈ সমাধান কৰিব ?"





সকলোতকৈ সৰু ৰাজকুমাৰে অপুকুত্তনক ৰাতিপুৱাৰ আহাৰ দি আছিল।


অপুকুত্তনে সুস্বাদু খাদ্য খাই থাকোতেই, সৰু ৰাজকুমাৰৰ মনত এটা আজৱ প্ৰশ্নৰ উদয় হ'ল । তেওঁৰ প্ৰশ্নটো আছিল, বৰ ডাঙৰ। তেওঁ জানিব বিচাৰিছিল,



প্ৰশ্ন শুনি লগুৱা-লিকচৌৰ মূৰ ঘূৰাবলৈ ধৰিলে। তেওঁলোকে ক'লে,








অতি সোনকালেই প্ৰশ্নটো ৰাজদৰবাৰৰ পৰা কান বাগৰি বাগৰি ঘৰ, ৰাস্তা, খেতিপথাৰ আৰু চাৰিওফালে বিয়পি পৰিল। চাওঁতে-চাওঁতে মানুহৰ মনত এটাই প্ৰশ্ন আহিল:


"অপুকুত্তনক ওজন কৰিব কেনেকৈ?"



"তেওঁলোকৰ ওচৰত তুলাচনী নাছিল নেকি?"
"তেওঁলোকে ওজন জোখা মেচিনত থিয় কৰাই অপুকুত্তনক ওজন কৰা নাছিল কিয়?"



তুলাচনী আছিল। আচলতে বিশেষ তুলাচনীও তৈয়াৰ কৰা হৈছিল, কিন্তু...
অপুৰ কাৰণে অলপ চুটি হৈ পৰিল।

কিছুমান তাৰ ভৰি দিওঁতেই ভাঙি-চিঙি গ'ল ।





আন কিবা এটা দেখি মানুহে ক'লে,"এতিয়া এইটোৱে অপুকুত্তনক কেনেকৈ ওজন কৰা হ'ব?"



তুমি বুজি পাইছাই চাগে ইয়াত এটা হাতীৰ কথা কৈ থকা হৈছে। আৰু হাতীটোও সাধাৰণ হাতী নহয়, এখন চহকী ৰাজ্যৰ ৰাজকীয় হাতী।

এইদৰেই ৰাজকীয় হাতীৰ ওজন ৰাজকীয় চিন্তাৰ বিষয় হৈ পৰিল।



এনেতে কণমানি মীনুৰ মনলৈ এটা উপায় আহিল।
"অহ, এইটো বৰ সহজ হয়," তাই ভাবিলে আৰু
ৰাজপ্ৰাসাদৰ ফালে আগবাঢ়ি গ'ল।

ৰজাই শুনিলে। শুনিলে আৰু ভাবিলে। ভাবিলে আৰু ক'লে,





সকলো নদীৰ ফালে
গ'ল - মীনু, দৰবাৰী
আৰু অপুকুত্তন ।
অপুক এখন নাৱত থিয়
কৰাই দিয়া হ'ল ।




চাই থাকোতেই নাওঁখন ডুবিবলৈ ধৰিলে।

আৰু...আৰু...আৰু...।

নাওঁখন বৈ দিওঁতে মীনুৱে নদীত নাওঁখন ডুব যোৱা ঠাইখিনি চিহ্নিত কৰিলে।


অপুক নাৱৰ পৰা নমাই অনা হ'ল।




তাৰ পাছত নাওঁখনত ইটা থোৱা হ'ল ।

ইটাবোৰ বাঢ়ি গৈ থাকিল আৰু নাওঁখন আকৌ ডুব যাবলৈ ধৰিলে, আৰু...আৰু...আৰু...।

যেতিয়া পানী নাওঁখনত লগাই থোৱা চিনৰ
ওচৰ পালে তেতিয়া মীনুৱে চিঞৰি উঠিল,
"হ'ব হ'ব হ'ব আৰু ইটা নাৰাখিব ।"



তাৰ পাছত ইটাবোৰ ওজন কৰা হ'ল ।
এনেকৈয়ে অপুকুত্তনৰ ওজন গ'ম পোৱা
গ'ল । কিমান গধুৰ আছিল জানানে ?




৫,০০০ কিলো ...


সম্পূর্ণ ৫,০০০ কিলো!

যেতিয়া সৰু ৰাজকুমাৰে অপুকুত্তনক ৰাতিপুৱাৰ আহাৰ দি আছিল, তেতিয়া তেওঁৰ মনলৈ এটা প্ৰশ্ন আহিল,"অপুৰ ওজন কিমান হ'ব?"

অতি সোনকালেই গোটেই ৰাজ্যই এই প্ৰশ্নৰ সমাধান বিচাৰিবলৈ আৰম্ভ কৰিলে ।

আৰু কণমানি মীনুৱে সমাধান বিচাৰি পালে ।

কেনেকৈ?

সেইটো তুমি কাহিনীটো পঢ়ি বিচাৰি উলিওৱা...

ইন্দু হৰিকুমাৰে শিশুৰ বাবে লিখে আৰু ছবি আঁকে। তেওঁ শিশুৰ লগত কাম কৰি বহুত আনন্দ পায়। এইখন তেওঁৰ প্ৰথমখন চিত্ৰকথা।

eklavya

মূল্য: ₹ 200.00

9788119771738

parag

AN INITIATIVE OF TATA TRUSTS